# পাতনি

জন্মসূত্রে পিতৃ ৰংদানি ৰাভা আৰু মাতৃ মায়তৰি ৰাভাভাষী হোৱা হেতুকে শৈশৱৰে পৰা এই দুখন সমাজৰ লগত এক নিবিড় সম্পৰ্ক গঢ়লৈ উঠে। শৈশৱৰ অধিকাংশ সময়তে উপলব্ধি কৰিছিলোঁ যে আমাৰ ৰংদানি ৰাভা ভাষা আৰু মায়তৰি ভাষাৰ কথা কোৱাৰ সুৰ আৰু শব্দৰ মাজত কিছু বৈসাদৃশ্য আছে। স্নাতক মহলাত উপভাষাবিজ্ঞানৰ আংশিক জ্ঞান আৰু স্নাতকোত্তৰত ভাষা শাখাৰ পাঠ্যক্ৰম অধ্যয়নে এই ভাষাৰ প্ৰতি অধিক অনুসন্ধিৎসা বঢ়ায়। ভাষা অধ্যয়নৰ এনে অভিজ্ঞতাই শৈশৱৰ পৰা সান্নিধ্য লাভ কৰা মায়তৰি ভাষাক নৱ দৃষ্টিভংগীৰে চোৱাত আগ্ৰহী কৰি তোলে। প্ৰথমাৱস্থাত এই বিষয়ত অধ্যয়ন কাৰ্য সম্ভৱপৰ নহ'ব বুলিয়ে ভাবিছিলোঁ। কিন্তু আমাৰ গৱেষণাৰ তত্ত্বাবধায়ক বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় মুৰব্বী শ্ৰদ্ধেয় ড° চুমী কলিতা বাইদেউৰ দিহা পৰামৰ্শ আৰু প্ৰেৰণাত বিষয়টোত গৱেষণা কাৰ্য সম্ভৱপৰ হৈ উঠিল।

পৃথিৱীৰ বিভিন্ন ভাষাসমূহৰ ভিতৰত থকা এটা ভাষা হৈছে মায়তৰি ৰাভা ভাষা। এই ভাষা মায়তৰি ৰাভা সকলৰ দৈনন্দিন জীৱনত পৰস্পৰৰ সৈতে ভাব বিনিময়ৰ বাবে ব্যৱহাৰ কৰা হয়। বৰ্তমান সময়ত এই ভাষালৈ বিভিন্ন দেশী-বিদেশী ভাষাৰো শব্দসম্ভাৰৰ প্ৰৱেশ ঘটিছে। সম্প্ৰতি ৰাভা ভাষাৰ অন্যান্য উপভাষা সম্পৰ্কত কেইবা সংখ্যক গ্ৰন্থ ৰচিত হৈছে, যদিও মায়তৰি ৰাভাসকলৰ মাতৃ ভাষা মায়তৰি ভাষা সম্পৰ্কে কোনো বিজ্ঞানসন্মত অধ্যয়ন হোৱা নাই বুলিয়ে ক'ব পাৰি। সেয়েহে এগৰাকী অসমীয়া হিচাপে বিলুপ্তিৰ পথত ধাৱমান হোৱা অসমৰে ভাষা এটাৰ পুনৰ সজীৱ কৰাৰ দায়িত্বৰ প্ৰতি লক্ষ্য ৰাখি মায়তৰি ভাষাৰ অধ্যয়নৰ প্ৰতি আগ্ৰহী হওঁ। এই আগ্ৰহক আগত ৰাখিয়ে পৰৱৰ্তী সময়ত এম.ফিল. পাঠ্যক্ৰমৰ গৱেষক হিচাপে মায়তৰি ভাষাৰ ভাষাতাত্ত্বিক অধ্যয়ন কৰিবলৈ প্ৰযত্ন কৰা হয়।

মহাবিদ্যালয়ৰ গুৰুদায়িত্ব পালনৰ লগতে এগৰাকী গৃহিনী হিচাপে ঘৰুৱা বিভিন্ন কাম-কাজৰ মাজত ব্যস্ত থাকিও বিশ্ববিদ্যালয়ৰ নিৰ্ধাৰিত সময়ৰ ভিতৰত গৱেষণা গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। গ্ৰন্থখনৰ প্ৰতিটো অধ্যায় ভাষাৰ প্ৰায়বোৰ দিশ সাধ্যানুসাৰি বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে, যদিও বিষয়টোৰ সম্পৰ্কত সকলো দিশৰ পুৰ্ণাংগ অধ্যয়ন হোৱা বুলি আমি দাবী কৰিব নোৱাৰোঁ।পৰবৰ্তী গৱেষকসকলে এই বিষয়ত আৰু অধিক সূক্ষ্মতাৰে অধ্যয়ন কাৰ্য্য সম্পন্ন কৰিব বুলি আমি আশাবাদী।

তাৰিখ ঃ (পৰ্চিয়া ৰংখ)